জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৫১/২০২২**

## আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## জগন্নাথ সেৱা কেন্দ্ৰ নিৰ্মাণৰ বাবে প্ৰতিখন চাহ বাগিচালৈ ১ কোটি টকাকৈ ৮০০ কোটি টকা আগবঢ়াব ৰাজ্য চৰকাৰে

## আগন্তুক শৈক্ষিক বৰ্ষৰ পৰা চাহ বাগিচাৰ নৱ নিৰ্মিত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

## ছাত্ৰ-ছাত্ৰীৰ সৈতে মধ্যাহ্ন আহাৰ গ্ৰহণ, মত-বিনিময় মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৫ মে'** ঃ অসমৰ চাহ বাগিচা অঞ্চলত প্ৰথমবাৰলৈ হাইস্কুল স্থাপনেৰে চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনা কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ জিলাত ৬ খনকৈ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। উল্লেখ্য যে আজিৰে পৰা অহা ৩০ মে'ৰ ভিতৰত ৯৬ খন চাহ বাগিচা এলেকাত নৱনিৰ্মিত এনে আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়সমূহ মন্ত্ৰী, সাংসদ আৰু স্থানীয় বিধায়কসকলে নিজ নিজ এলেকাত উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে আজি তেজপুৰ-ঘগৰা চাহ বাগিচা আদৰ্শ বিদ্যালয়; ৰূপাজুলি চাহ বাগিচা আদৰ্শ বিদ্যালয়, সোনাজুলি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, নাহৰণি আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, ফুলবাৰী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু ঠাকুৰবাৰী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শুভ উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত সভাসমূহত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চাহ জনগোষ্ঠীৰ সামগ্ৰিক উন্নয়নৰ লক্ষ্যৰে শিক্ষাক মূল চালিকা শক্তি হিচাপে লৈ ৰাজ্য চৰকাৰে পোনপ্ৰথমবাৰৰ বাবে ৰাজ্যৰ চাহ বাগিচা সমূহত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰিছে। এই বিদ্যালয়সমূহত গুণগত শিক্ষা লাভ কৰি ছাত্ৰ-ছাত্ৰীসকলে অসমৰ নাম উজ্জ্বল কৰিব পাৰিব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে ৯৬ খন চাহ বাগিচা এলেকাত নৱ নিৰ্মিত এই আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় কেইখনত ১৫ হাজৰতকৈ অধিক গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্ত্তি কৰিছে। ই

এক আশাৰ বতৰা বুলিও তেওঁ কয়। শিক্ষাদান যাতে সুচাৰুৰূপে পৰিচালিত কৰিব পৰা যায় তাৰ বাবে প্ৰতিখন বিদ্যালয়তে ৮ গৰাকীকৈ শিক্ষক নিযুক্তি দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

চাহ বাগিচাৰ মাটিৰ সৈতে সম্পৰ্ক থকা একো একোগৰাকী পুৰোধা ব্যক্তিৰ নামত এই আদৰ্শ বিদ্যালয়সমূহ নামাকৰণ কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাৰ লগতে জাতি নিৰ্মাণত অনুপ্ৰেৰণা যোগোৱা ব্যক্তিসকলৰ আদৰ্শৰে যাতে উঠি অহা প্ৰজন্মই আগুৱাই যাব পাৰে সেই উদ্দেশ্যৰে ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। তেজপুৰ ঘগৰা চাহ বাগিচা আদৰ্শ  বিদ্যালয়ক শ্বহীদ মাংৰি ওৰাং আদৰ্শ বিদ্যালয়, ৰূপাজুলি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক লোকনায়ক অমিয় কুমাৰ দাস আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, সোনাজুলি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক শ্বহীদ হেমলাল কালান্দি আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় হিচাপে নামাকৰণ কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ লগতে কয় যে বৰ্তমান উচ্চ  মাধ্যমিকলৈ শ্ৰেণী থকা প্ৰতিখন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক অহা বৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণীলৈকে উন্নীতকৰণ কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে অহা  বৰ্ষৰ পৰা এই আদৰ্শ বিদ্যালয়সমূহত ইংৰাজী ভাষাৰ মাধ্যমত অংক আৰু বিজ্ঞান বিষয় আৰু অসমীয়া ভাষাৰ মাধ্যমত সমাজ বিজ্ঞান শিকোৱাৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি অসমীয়া বিষয়ৰ পাঠ্যক্ৰমো থাকি এই বিদ্যালয়সমূহত। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ নৱ প্ৰজন্মই অসমীয়া আৰু ইংৰাজী এই দুয়োটা ভাষাৰে জ্ঞান আহৰণ কৰি একেসময়তে তেওঁলোকে যাতে অসমীয়া হৈ থাকিব পাৰে আৰু পৃথিৱী জয় কৰাৰো সুযোগ পাব পাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই ৰাজ্য চৰকাৰে এই উদ্যোগ গ্ৰহণ কৰিছে।

এই বিদ্যালয়সমূহ পৰিচালনাৰ বাবে প্ৰতিখন বিদ্যালয়লৈ ১ লাখ টকাকৈ আগবঢ়োৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰথম কিস্তিত প্ৰতিখনলৈ ২৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হৈছে আৰু অতিশীঘ্ৰে বাকী ৭৫ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। তেওঁ কয় যে এই আদৰ্শ বিদ্যালয়সমূহত বিনামূলীয়া পাঠ্যপুথি, মধ্যাহ্ন ভোজনৰ সামগ্ৰী আৰু বিনামূলীয়া ইউনিফৰ্ম প্ৰদান কৰি থকা হৈছে। এই বিদ্যালয়সমূহৰ কোনো সমস্যা যাতে নাথাকে তাৰ ওপৰত নজৰ দিয়াৰ লগতে বিদ্যালয়সমূহলৈ প্ৰয়োজনীয় আচবাব আদি যোগান ধৰা হৈছে বুলিও তেওঁ কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সন্তানৰ সুৰক্ষিত আৰু উজ্জ্বল ভৱিষ্যতৰ বাবে চাহ বাগিচাৰ লোকসকলক তেওঁলোকৰ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিওৱাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁ চাহ বাগিচাৰ লোকসকলক নিজৰ স্বাস্থ্য অটুত ৰখাৰ বাবে স্বাস্থ্যসন্মত জীৱন যাপন

কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। চাহ বাগিচা এলেকাত কলা, খেল-ধেমালী, ঝুমুড় নৃত্য আদি ক্ৰীড়া-সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শনৰ লগতে দক্ষতা বিকাশৰ বাবে 'জগন্নাথ সেৱা কেন্দ্ৰ' স্থাপন কৰি প্ৰতিখনলৈ ১ কোটি টকাকৈ অসমৰ ৮০০ খন চাহ বাগিচালৈ মুঠ ৮০০ কোটি টকা আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

মুখ্যমন্ত্ৰীয়ে সোনাজুলি আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মধ্যাহ্ন আহাৰ গ্ৰহণ কৰে আৰু তেওঁলোকৰ লগত মত-বিনিয়ম কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰতিখন বিদ্যালয়তে প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰে।

আজিৰ এই অনুষ্ঠানসমূহত নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ পল্লৱ লোচন দাস, বিধায়কসকল ক্ৰমে কৃষ্ণ কমল তাঁতী, পৃথ্বীৰাজ ৰাভা, গণেশ লিম্বু প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে অসম চৰকাৰৰ 'সোণোৱালী শৈশৱ বিকশিত অসম' আঁচনিৰ অধীনত আজি শোণিতপুৰ জিলাৰ ৰঙাপৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ফুলবাৰী চাহ বাগিচাত প্ৰথমটো আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। ২৫ লাখ টকা ব্যয় সাপেক্ষে এই অংগনবাড়ী কেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। শোণিতপুৰ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ প্ৰতিটো সমষ্টিতে ১১ টাকৈ মুঠ ৫৫ টা এনে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

**হেঃশঃ**

**২৫/০৫/২০২২**